**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

## HEADLINES

**::::::::::::::::::**

১। দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছটা নতুন পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ আগবঢ়ায়।

২। প্ৰধানমন্ত্ৰীয়ে কালি জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে কেইবাগৰাকীও বিশ্ব নেতাৰ সৈতে আলোচনাত মিলিত হয়।

৩। অসম চৰকাৰ আৰু আছু অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়নৰ বাবে গঠন কৰা কমিটিৰ অধিকাংশ পৰামৰ্শক লৈ সহমতত উপনীত হৈছে।

৪। ভাৰতৰ লক্ষ্য সেনে অষ্ট্ৰেলিয়াম অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। বৰ্ষাপাৰা টেষ্টৰ আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই ছটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৪৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

ooooo

দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছটা নতুন পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ আগবঢ়ায়। গোলকীয় পৰম্পৰাগত জ্ঞানৰ ভাণ্ডাৰ, আফ্ৰিকীয় দক্ষতামূলক বহুমুখী কাৰ্যসূচী, গোলকীয় স্বাস্থ্য যতন সঁহাৰি গোট, মাদকদ্ৰব্য সৰবৰাহ ৰোধ, কৃত্ৰিম উপগ্ৰহীয় তথ্য অংশীদাৰিত্ব আৰু গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ বিষয়ক পদক্ষেপক অন্তৰ্ভুক্ত কৰা হৈছে।

সন্মিলনৰ কালি প্ৰথম দিনা দুখনকৈ সত্ৰত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে কয়, যে এই পদক্ষেপসমূহ বিকাশ, উন্নয়ন আৰু সমূহীয়া কল্যাণৰ ভাৰতৰ যি সামূহিক দৃষ্টিভংগী, তাকেই দাঙি ধৰিছে। তেওঁ কয়, যে এই পদক্ষেপসমূহে সামগ্ৰিক বিকাশৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব।

সামগ্ৰিক আৰু বহনক্ষম অৰ্থনৈতিক বিকাশ বিষয়ক প্ৰথনখন সত্ৰত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে জি-২০ গোলকীয় পৰম্পৰাগত জ্ঞানৰ ভাণ্ডাৰে ভৱিষ্যৎ প্ৰজন্মক মানৱীয় কল্যাণৰ দিশত সামূহিক জ্ঞান আহৰণ প্ৰক্ৰিয়াত সহয়ক হ'ব।

প্ৰধানমন্ত্ৰী মোদীয়ে জি-২০ গোলকীয় স্বাস্থ্য যতন সঁহাৰি গোট গঠন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে স্বাস্থ্যৰ জৰুৰী অৱস্থা তথা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ বিশ্বই একেলগে কাম কৰাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ

কৰিব পাৰে। তেওঁ কয়, যে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সময়ত জি-২০ সদস্য ৰাষ্ট্ৰৰ এটা প্ৰশিক্ষিত চিকিৎসা বিশেষজ্ঞৰ দল সাজু কৰি ৰখা উচিত। মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহ বৃদ্ধি পোৱাৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে এনে ধৰণৰ সৰবৰাহ ৰোধ কৰাৰ বাবে জি-২০য়ে পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে লগতে মাদকদ্ৰব্যৰ সৰবৰাহৰ লগত জড়িত অৰ্থনীতি দুৰ্বল কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহক একত্ৰিত হ'বলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে অহা দশকত আফ্ৰিকাৰ বাবে বিভিন্ন দক্ষতাৰ পদক্ষেপ গ্ৰহণ কৰি ১০ লাখ লোকক প্ৰশিক্ষণেৰে সাজু কৰি তোলাৰ বাবে বাবে প্ৰস্তাৱ দিয়ে। ইয়াৰ ফলত আফ্ৰিকাৰ সামৰ্থ বৃদ্ধি পোৱাৰ লগত উন্নয়নৰ এটা দীৰ্ঘ ম্যাদি পৰিকাথামো গঢ়ি উঠিব। শ্ৰী মোদীয়ে জি-২০ৰ অধীনত গোলকীয় পৰম্পৰাগত জ্ঞানৰ আদান-প্ৰদান কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে ভাৰতৰ পৃষ্ঠপোষকতাত ভৱিষ্যৎ প্ৰজন্মৰ বাবে বহনক্ষম পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়।

স্থিতিস্থাপক বিশ্ব বিষয়ক দ্বিতীয়খন সত্ৰত ভাগ লৈ প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ সংক্ৰান্তিয় পদক্ষেপৰ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ জৰিয়তে সামগ্ৰীৰ পুনৰ নিৰ্মাণ, নগৰীয়া খনন তথা উদ্ভাৱনৰ ক্ষেত্ৰত সহায়ক হ'ব। শ্ৰী মোদীয়ে কয়, যে এই পদক্ষেপ সমূহৰ জৰিয়তে যোগান শৃংখলা সুৰক্ষা শক্তিশালী কৰা আৰু উন্নয়নৰ পথ মসৃণ কৰি তোলাৰ উদ্দেশ্য নিহিত হৈ আছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত বহনক্ষম আৰু স্বচ্ছ শক্তি আহৰণৰ লক্ষ্যত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। উপগ্ৰহীয় তথ্য অংশীদাৰিত্বৰ জৰিয়তে জি-২০ৰ অন্তৰ্গত দেশসমূহে কৃষি, মীন, দুৰ্যোগ ব্যৱস্থা আদিৰ ক্ষেত্ৰত কাৰ্যসূচী গ্ৰহণত সহায়ক হ'ব। এই একেটা সত্ৰত ভাগ লৈ শ্ৰী মোদীয়ে গোলকীয় খাদ্য সুৰক্ষা শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতত পূৰ্বে অনুষ্ঠিত জি-২০ সন্মিলনত গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাত অনুষ্ঠিত জি-২০ গোটে পৰ্যটন, খাদ্য সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল অৰ্থনীতি, উদ্ভাৱন আৰু মহিলাসৱলীকৰণৰ ক্ষেত্ৰত কৰা কামৰ বাবে প্ৰশংসা কৰে। তেওঁ কয়, যে নতুন দিল্লীত অনুষ্ঠিত জি-২০ সন্মিলনত গ্ৰহণ কৰা ঐতিহাসিক সিদ্ধান্তসমূহকো গতি দিয়াত ই সফল হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে কেইবাগৰাকীও বিশ্ব নেতাৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ ভিতৰত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ, মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী অনৱাৰ ইব্ৰাহিম, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাঁক্ৰ, জাৰ্মানীৰ ছেন্সেলৰ ফেড্ৰিক মৰ্জ, দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে-ম্যাং, ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা ডি ছিলভা আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছ অন্যতম।

শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে আলোচনাকালত তেওঁলোকে বিশ্ব প্ৰগতি আৰু সমৃদ্ধিৰ বাবে উমহৈতীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ সৈতে তেওঁৰ আলোচনা ফলপ্ৰসূ আছিল বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰত-ব্ৰিটেইনৰ মাজৰ সম্পৰ্কই এই বছৰ নতুন গতি লাভ কৰিছে আৰু দুয়োপক্ষই বিভিন্ন ক্ষেত্ৰত এই সহযোগিতাই আগবঢ়াই নিব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁ মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীৰ সৈতে বিভিন্ন বিষয় লৈ বিস্তৃতভাৱে আলোচনা কৰে। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্কলৈ বিবিধতা অনাৰ বাবে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ সৈতে হোৱা কথাবতৰা সন্দৰ্ভত শ্ৰী মোদীয়ে কয়, যে তেওঁৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনা হয়। তেওঁ কয়, যে ভাৰতৰ আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্ক গোলকীয় হিতৰ বাবে গুৰুত্বপূৰ্ণ শক্তিৰূপে পৰিগণিত হৈ আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে আংগোলাৰ ৰাষ্ট্ৰপতি তথা আফ্ৰিকীয় সংঘৰ অধ্যক্ষ জোআঅ' মেনুৱেল গোঞ্জালভিছ ল'ৰেনক'ৰ

সৈতেও আলোচনাত মিলিত হয়। শ্ৰী মোদীয়ে কয়, যে ভাৰতে আংগোলাৰ সৈতে থকা মিত্ৰতাত গুৰুত্ব দিয়ে আৰু দুয়োখন দেশে বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্কৰ সম্প্ৰসাৰণৰ বাবে কাম কৰি আছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী অবী আহমদ আলীকো দেখা কৰে আৰু দুয়োখন দেশৰ মাজৰ সম্পৰ্ক ঐতিহাসিক তথা উন্নয়নমূলক সহযোগিতাৰ বলত সুদৃঢ় হোৱা বুলি অভিহিত কৰে।

ভিয়েটনামৰ প্ৰধানমন্ত্ৰী মীন্‌হ ছিন্‌হৰ সৈতে হোৱা বৈঠক সন্দৰ্ভত শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু ভিয়েটনাম শক্তিশালী আৰু ভৱিষ্যমুখী সহযোগিতাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

শ্ৰী মোদীয়ে লগতে বিশ্ব বাণিজ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ নগোজি অ'কোঞ্জো ইৱেলা আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰব্বী টেড্ৰ'ছ অডনোম ঘেব্ৰেয়ছছৰ সৈতেও আলোচনাত মিলিত হয়। শীৰ্ষ সন্মিলনৰ প্ৰথম সত্ৰৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিসহ আন কেইবাগৰাকীও নেতাক সাক্ষাৎ কৰে। ইয়াৰ পূৰ্বে জি-২০ শীৰ্ষ সন্মিলনস্থলীত উপস্থিত হোৱাৰ সময়ত শ্ৰী মোদীয়ে বিপুল আদৰণি আৰু গুৰুত্বপূৰ্ণ সন্মিলনৰ আয়োজন কৰাৰ বাবে দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি ছিৰিল ৰামফোছাক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থা আছু অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়নৰ বাবে গঠন কৰা উচ্চ স্তৰীয় সমিটিৰ অধিকাংশ পৰামৰ্শক লৈ সহমতত উপনীত হৈছে।

ছয় নম্বৰ দফা ৰূপায়ন সন্দৰ্ভত কালি হোৱা বৈঠকত থলুৱা লোকৰ সাংবিধানিক সুৰক্ষা কবচৰ সৈতে জড়িত এই দফাৰ ৰূপায়ণৰ বাবে নতুন পুনৰীক্ষণ কমিটি গঠন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৱসৰপ্ৰাপ্ত ন্যায়াধীস বিপ্লব কুমাৰ শৰ্মাৰ নেতৃত্বত গঠন কৰা উচ্চস্তৰীয় সমিটিৰ পৰামৰ্শৰলী আগুৱাই লৈ যোৱাৰ বাবে বিষদ পৰিকল্পনা যুগুটোৱাৰ উদ্দেশ্যে পূৰ্বতে গঠন কৰা এখন উপ সমিতিয়ে বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰে।

ooooo

ভাৰতৰ লক্ষ্য সেনে অষ্ট্ৰেলিয়াম অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্য সেনে কালি ছিডনীত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ চেমিফাইনেলত চীনা টাইপেইৰ চৌ টিয়েন ছেনক ১৭-২১, ২৪-২২, ২১-১৬ গেমত পৰাস্ত কৰে। লক্ষ্য সেন আজি ফাইনেলত জাপানৰ যুশ্বি টানাকাৰ সন্মুখীন হ'ব।

ooooo

দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টৰ আজি দ্বিতীয় দিনা ছটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা  ২৪৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। দক্ষিণ আফ্ৰিকাৰ হৈ ট্ৰিষ্টান ষ্টাবছে সৰ্বাধিক ৪৯ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে তিনিটা উইকেট দখল কৰে। যশপ্ৰীত বুমৰা, মহম্মদ ছিৰাজ আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট লাভ কৰে। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে। দক্ষিণ আফ্ৰিকা সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

ooooo

সমাপ্ত